জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭৬/২০২০

## ভূতপূৰ্ব ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গভীৰ শোক প্ৰকাশ

## ৰাষ্ট্ৰই হেৰুৱালে এগৰাকী নীতিনিষ্ঠ, আদৰ্শৱান ৰাজনীতিবিদক ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ আগষ্ট ঃ** দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি, বৰ্ষীয়ান ৰাজনীতিবিদ, ভাৰতৰত্ন প্ৰণৱ মুখাৰ্জীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰণৱ মুখাৰ্জী আছিল ভাৰতবৰ্ষৰ মূল্যবোধৰ ৰাজনীতিৰ এক প্ৰতিভূ। জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে দেশৰ সমাজ জীৱন তথা ৰাজনৈতিক ক্ষেত্ৰখনলৈ তেওঁ যি অনন্য অৱদান আগবঢ়াই গ'ল সেয়া দেশবাসীয়ে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ভাৰতীয় পৰম্পৰা আৰু মূল্যবোধক অধিক শক্তিশালী কৰা আৰু বিশ্ব দৰবাৰত দেশক শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়াত মুখাৰ্জীয়ে সমগ্ৰ জীৱন উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াই গৈছে। নীতিনিষ্ঠ, আদৰ্শৱান, নিজস্ব জ্ঞান গৰিমাৰে মহিমামণ্ডিত এইগৰাকী ৰাষ্ট্ৰনেতাৰ বিয়োগত ভাৰতবৰ্ষৰ ৰাজনীতিত এক যুগৰ অৱসান ঘটিল। সমাজৰ সকলো স্তৰৰ লোকৰ মাজত সমানে সমাদৃত প্ৰয়াত প্ৰণৱ মুখাৰ্জী দেশৰ ইতিহাস, কূটনীতি, ৰাজনীতি, অৰ্থনীতি, প্ৰতিৰক্ষা, বৈদেশিক নীতি আদি প্ৰতিটো গুৰুত্বপূৰ্ণ বিষয়ত অগাধ পাণ্ডিত্য আৰু দক্ষতাৰ অধিকাৰী আছিল। সততা, সৰলতা আৰু সৰল ব্যক্তিত্বৰে তেওঁ দেশৰ প্ৰতি অকৃত্ৰিম ত্যাগ আৰু আন্তৰিকতাৰে সেৱা আগবঢ়াই গৈছে। দেশৰ ৰাজহুৱা জীৱনলৈ তেওঁৰ অৱদান তুলনাবিহীন। ২০১২ চনৰ পৰা ২০১৭ চনলৈকে দেশৰ ৰাষ্ট্ৰপতি হিচাপে প্ৰয়াত মুখাৰ্জীয়ে ভাৰতবৰ্ষক বিশ্বৰ এখন আগশাৰীৰ  গণতান্ত্ৰিক গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাত প্ৰভূত বৰঙনি আগবঢ়াই গৈছে। নিজৰ পাঁচ দশকজোৰা ৰাজনৈতিক জীৱনত তেওঁ বহুকেইটা গুৰুত্বপূৰ্ণ মন্ত্ৰালয়ৰ দায়িত্বভাৰ দক্ষতাৰ পৰিচালনা কৰিছিল। এইগৰাকী  যুগদ্ৰষ্টা ৰাজনীতিকৰ বিয়োগ ভাৰতীয় সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰণৱ মুখাৰ্জীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
৩১/০৮/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in